Total number of printed pages-2

**FYUGP/Sem-6/AM-CE4**

# 2026

## Assamese (Core)

## Paper Code : AM-CE-6344

**Paper Name : সাহিত্য তত্ত্ব আৰু সাহিত্য সমালোচনা (প্ৰাচ্য আৰু পাশ্চাত্য)**

*Time : 3 hours* *Full Marks : 70*

১। অতি চমুকৈ উত্তৰ লিখা ঃ ১×১০=১০

ক) উপন্যাসৰ চৰিত্ৰক কেই প্ৰকাৰত ভাগ কৰা হয় ?

খ) আলংকাৰিকসকলৰ মতে স্থায়ীভাব কেইটা ?

গ) ভাৰতীয় অলংকাৰ শাস্ত্ৰত ধ্বনিবাদৰ প্ৰৱৰ্তক কোন ?

ঘ) অসমীয়া কাব্য সাহিত্যত ব্যৱহৃত আটাইতকৈ সৰু ছন্দটো কি ?

ঙ) অলংকাৰৰ মুখ্য প্ৰয়োজনীয়তা কি ?

চ) ৰসতত্ত্বৰ প্ৰবৰ্তক কোন ?

ছ) অলংকাৰ শব্দৰ মূল কি ?

জ) অলংকাৰ-শাস্ত্ৰৰ প্ৰথম আচাৰ্য কোন ?

ঝ) ট্ৰেজেডী শব্দটোৰ উৎপত্তি ক'ৰ পৰা হৈছিল ?

ঞ) এবিধ পুৰণি অসমীয়া ত্ৰিপদী ছন্দৰ নাম লিখা ।

২। চমুকৈ উত্তৰ লিখা ঃ ২×৫=১০

ক) নাটকক কোনে 'ক্ৰিয়াশীল ৰূপত ক্ৰিয়াশীলতাৰ অনুকৰণ' (Imitation of action in the form of action) বুলি কোনে কৈছিল? তেওঁ এই মন্তব্য কোনখন গ্ৰন্থত কৰিছিল ?

খ) বিভাৱৰ প্ৰকাৰ দুটাৰ নাম লিখা ।

গ) সাদৃশ্যমূলক অৰ্থালংকাৰৰ দুটা উদাহৰণ দিয়া ।

ঘ) ৰীতি কাক বোলে ? ৰীতিকেই কাব্যৰ আত্মা বুলি কোনে কৈছিল ?

ঙ) এবচাৰ্ড নাটকৰ দুটা বৈশিষ্ট্য লিখা ।

Contd..

৩। উত্তৰ লিখা *(যিকোনো চাৰিটা)* ঃ ৫×৪=২০

ক) চিত্ৰকল্প কি ? কবিতাত চিত্ৰকল্পৰ প্ৰয়োগ সম্পৰ্কে চমুকৈ আলোচনা কৰা ।

খ) ট্ৰেজেডীৰ স্বৰূপ সম্পৰ্কে চমুকৈ লিখা ।

গ) ভাৰতীয় অলংকাৰ শাস্ত্ৰ অনুসৰি ৰস নিষ্পত্তি কিদৰে হয় ব্যাখ্যা কৰা ।

ঘ) উদাহৰণসহ 'পদ' অথবা 'ছবি' ছন্দৰ বিষয়ে লিখা ।

ঙ) ভৰত মুনিৰ ৰসৰ সূত্ৰটো তোমাৰ ভাষাৰে ব্যাখ্যা কৰা ।

চ) এৰিষ্টটলৰ Poetics ত থকা আলোচনাৰ আধাৰত ট্ৰেজেডীৰ নায়কৰ গুণাৱলী বিষয়ে লিখা ।

৪। তলৰ *যিকোনো তিনিটা* প্ৰশ্নৰ উত্তৰ লিখা ঃ ১০×৩=৩০

ক) শব্দশক্তি কেইপ্ৰকাৰৰ ? প্ৰতিটো প্ৰকাৰৰ বিষয়ে চমুকৈ আলোচনা কৰা । ২+৮=১০

খ) ৰস কেইপ্ৰকাৰৰ আৰু কি কি ? যিকোনো দুটা প্ৰকাৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা । ১+১+৮=১০

গ) ৰমন্যাসবাদৰ বৈশিষ্ট্য সম্পৰ্কে এটি নিবন্ধ প্ৰস্তুত কৰা ।

ঘ) শব্দ অলংকাৰ কাক বোলে লিখি ইয়াৰ ভাগসমূহ উদাহৰণসহ বুজাই লিখা ।

ঙ) উপন্যাস আৰু চুটিগল্পৰ প্ৰভেদসমূহ বিচাৰ কৰা ।

চ) ট্ৰেজেডী আৰু কমেডীৰ ধাৰণা দি ট্ৰেজেডী আৰু কমেডীৰ পাৰ্থক্য নিৰ্ণয় কৰা।

■■■